**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

সান্ধ্য আইনৰ কবলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে যদিও ভিতৰি ভিতৰি উত্তেজনা অব্যাহত আছে। যোৱা সপ্তাহত উগ্ৰপন্থীয়ে অপহৰণ কৰা ছজন লোকৰ পাঁচজনৰ মৃতদেহ উদ্ধাৰৰ পাছত জিৰিবামত কালি ব্যাপক প্ৰতিবাদৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাত এজন প্ৰতিবাদকাৰী আহত হয়। নিশাৰ ভাগত সশস্ত্ৰ দুষ্কৃতিকাৰীয়ে জিৰিবামৰ কংগ্ৰেছ আৰু বিজেপি দুয়ো দলৰে জিলা কাৰ্যালয় দুটাত অগ্নি সংযোগ কৰে।

মণিপুৰত বাহৰ পাতি থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান অনিছ দয়াল সিঙে আজি ইম্ফলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ মুৰববীসকলৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা আছে।

মণিপুৰৰ সাম্প্ৰতিক উত্তেজনাময় পৰিস্থিতিৰ প্ৰভাৱ ৰাজ্যখনৰ ৰাজনীতিতো পৰিলক্ষিত হৈছে। আজি জিৰিবামৰ বিজেপিৰ জিলা পৰ্যায়ৰ ৮ গৰাকী বিষয়ববীয়াই দল ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে।

এন বীৰেন সিং নেতৃত্বাধীন চৰকাৰখনৰ প্ৰতি কনৰাড চাংমা নেতৃত্বাধীন এন পি পিৰ ৭জন বিধায়কে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ কথা কালি ঘোষণা কৰিছে। ইপিনে, চৰকাৰখনলৈ নিঃচৰ্ত সমৰ্থন আগবঢ়াই থকা নাগা পিপ'ল্‌ছ ফ্ৰণ্টে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিত তেওঁলোকে চৰকাৰলৈ আগবঢ়োৱা সমৰ্থন কোনোপধ্যে প্ৰত্যাহাৰ নকৰে বুলি স্পষ্ট কৰি দিছে। আজি বিয়লি ইম্ফলত আয়োজিত এখন সংবাদমেলত ৰাজ্যিক এন পি এফ নেতৃত্বই কয়, যে মণিপুৰৰ পৰিস্থিতিৰ বাবে কেৱল চৰকাৰেই দায়ী নহয়, ইয়াৰ সৈতে ভালেকেইটা তৃতীয় পক্ষ জড়িত আছে।

ৰাজ্য বিধানসভাত নিজাববীয়াকৈ ৩২ গৰাকী বিধায়কৰ সমৰ্থন লাভ কৰি থকা এন বীৰেণ সিং চৰকাৰৰ প্ৰতি এতিয়াই কোনো ভাবুকি অহা নাই যদিও পৰৱৰ্তী কেইদিনমানত দলৰ ভিতৰতে নেতৃত্ব পৰিৱৰ্তনৰ দাবী অধিক শক্তিশালী হৈ উঠাৰ সম্ভাৱনা আছে বুলি ৰাজনৈতিক পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে।

০০০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কোৱা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় খচৰা ভোটাৰ তালিকা সাজু কৰি থকা হৈছে। ১৫ ডিচেম্বৰৰ পূৰ্বে এই ভোটাৰ তালিকা প্ৰস্তুত হৈ উঠিব।

০০০০০০০

বাহনা মহাবিদ্যালয়ৰ কলা ভৱনত অনুষ্ঠিত এখন গাম্ভীৰ্যপূৰ্ণ সভাত মমী বৰাৰ **দুবৰীত দেৱদাৰুৰ ছাঁ** নামৰ উপন্যাসখন উন্মোচন কৰা হয়। অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ প্ৰসন্ন কুমাৰ দত্তই গ্ৰন্থখন উন্মোচন কৰে। বাহনা মহাবিদ্যালয়ৰ পটভূমিত ৰচিত উপন্যাসখনৰ উন্মোচনী সভাত মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে কেইবাগৰাকী অধ্যাপক-অধ্যাপিকা তথা লেখক-লেখিকা উপস্থিত থাকে।

০০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কোৱা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় খচৰা ভোটাৰ তালিকা সাজু কৰি থকা হৈছে। ১৫ ডিচেম্বৰৰ পূৰ্বে এই ভোটাৰ তালিকা প্ৰস্তুত হৈ উঠিব।

০০০০০০

অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েঙৰ জীৱন আৰু কৃতিক লৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ঔষধি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডাঃ নৰোত্তম সোণোৱালে ৰচনা কৰা 'মোলাই কাঠনিৰ মানুহজন' গ্ৰন্থৰ ইংৰাজী অনুবাদ 'The Man of the Forest Molai' গ্ৰন্থখন কালি যোৰহাট প্ৰেছ ক্লাবত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ড° প্ৰশান্ত পূজাৰীয়ে অনুবাদ কৰা এই গ্ৰন্থ উন্মোচনী সভাত অৰণ্য মানৱ যাদৱ পায়েং নিজেও উপস্থিত থাকি পৰিৱেশ বিষয়ক মনোজ্ঞ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত লেখক গোবিন কুমাৰ খাউণ্ড আৰু শিক্ষাবিদ বিনীতা দত্তইও অংশগ্ৰহণ কৰে।

০০০০০০০

অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে অসম কমাণ্ড বেটেলিয়নৰ ১৬৪ টা কনিষ্টবল পদৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰসমূহ ১৮ নৱেম্বৰৰ পৰা উপলব্ধ হ'ব বুলি প্ৰকাশ কৰিছে। পৰিষদে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে www.slprbassam.in ৱেবছাইটযোগে নিজৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। কনিষ্টবল পদসমূহৰ বাবে ২৫ নৱেম্বৰৰ পৰা শাৰীৰিক সক্ষমতা পৰীক্ষা অনুষ্ঠিত হ'ব বুলি আৰক্ষী নিযুক্তি পৰিষদৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০

বাংলাদেশৰ আন্তৰ্জাতিক অপৰাধ ন্যায়াধীকৰণে  দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাচিনা আৰু আন ৪৫ গৰাকী ব্যক্তিৰ বিৰুদ্ধে ৰুজু কৰা দুটা গোচৰ সন্দৰ্ভত এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। বৈষম্য বিৰোধী ছাত্ৰ আন্দোলনৰ সময়ছোৱাত গণহত্যাত জড়িত থকা আৰু মানৱতা বিৰোধী কাৰ্যকলাপৰ অভিযোগ সন্দৰ্ভত ন্যায়াধীশ গোলাম মৰ্তুজা মজুমদাৰে দেশখনৰ তদন্তকাৰী সংস্থাক এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়াৰ লগতে বৰ্তমান দেশ এৰি পলায়ন কৰা শ্বেখ হাছিনাকে ধৰি আন সকলো অভিযুক্ত সন্দৰ্ভত আদালতত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ আগতে আজি পুৱাৰ ভাগত পূৰ্বৰ আৱামী লীগ চৰকাৰৰ ৯গৰাকী মন্ত্ৰীসহ ১৩ গৰাকী অভিযুক্তক বৈষম্য বিৰোধী আন্দোলনৰ সময়ছোৱাত হত্যাকাণ্ডত জড়িত থকাৰ অভিযোগ সম্পৰ্কীয় গোচৰত আদালতত হাজিৰ কৰোৱা হয়।

০০০০০০০

**সমাপ্ত**